এই কোৰআনৰ প্রতি যত্ন লোৱা তথা সদায় তিলাৱত কৰা। সেই মহান সত্তাৰ শপত, যাৰ হাতত মুহাম্মদৰ জীৱন আছে, উট যেনেকৈ ৰছীৰ পৰা অতর্কিতে ওলাই যায়, তাতকৈও অধিক অতর্কিতে [স্মৃতিৰ পৰা] কোৰআন ওলাই যায়।

আবু মুছা আশ্বআৰী ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "এই কোৰআনৰ প্রতি যত্ন লোৱা তথা সদায় তিলাৱত কৰা। সেই মহান সত্তাৰ শপত, যাৰ হাতত মুহাম্মদৰ জীৱন আছে, উট যেনেকৈ ৰছীৰ পৰা অতর্কিতে ওলাই যায়, তাতকৈও
অধিক অতর্কিতে [স্মৃতিৰ পৰা] কোৰআন ওলাই যায়।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কোৰআনৰ প্ৰতি যত্ন লবলৈ নিৰ্দেশ দিছে তথা নিয়মিত তিলাৱত কৰিবলৈ উপদেশ দিছে, যাতে মুখস্থ কৰাৰ পিছত পাহৰি নাযায়। লগতে তেখেতে শপত খাই বিষয়টোৰ গুৰুত্ব বুজাইছে যে, ৰচীৰে বান্ধি থোৱা উট যেনেকৈ অতৰ্কিতে পলায়ন কৰে, ঠিক সেইদৰে যদি কোৰআন সদায় তিলাৱত কৰা নহয় তেন্তে তাতকৈও অধিক দ্ৰুত গতিৰে কোৰআন অন্তৰৰ পৰা গুচি যায়। যদি মানুহে নিয়মিত তিলাৱত কৰে তেন্তে ভালকৈ মুখস্থ থাকে আৰু যদি তিলাৱত কৰা বাদ দিয়ে তেন্তে স্মৃতিৰ পৰা হেৰাই যায়।

http://sunnah.global/hadeeth/as/show/5907